আনাছ ৰাদ্বিয়াল্লাহু আনহুক প্ৰশ্ন কৰা হ 'ল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেনেকৈ কিৰাআত কৰিছিল ? তেওঁ ক'লেঃ তেখেতে টানি টানি কিৰাআত কৰিছিল।

ক্বাতাদাৰ পৰা বৰ্ণিত , তেওঁ কৈছেঃ আনাছ ৰাদ্বিয়াল্লাহু আনহুক প্ৰশ্ন কৰা হ 'ল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেনেকৈ কিৰাআত কৰিছিল ? তেওঁ ক'লেঃ তেখেতে টানি টানি কিৰাআত কৰিছিল। ইয়াৰ পিছত তেওঁ কিৰাআত কৰি দেখুৱাই ক'লেঃ {بِسْمِ اللّٰهِ الرَّحْمَنِ الرَّحِيمِ} (ছুৰা আল-ফাতিহাঃ ১) তেখেতে বিছমিল্লাহ টানিছিল , তাৰ পিছত ৰাহমান টানিছিল , ইয়াৰ পিছত ৰাহীম টানি পাঠ কৰিছিল।

[ছহীহ] [(বুখাৰী)]

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুক প্ৰশ্ন কৰা হ 'ল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেনেকৈ কোৰআন তিলাৱত কৰিছিল। তেওঁ উত্তৰত ক 'লে যে, তেখেতে ধীৰ স্থিৰে টানি টানি কোৰআন তিলাৱত কৰিছিল। তেখেতে বিছমিল্লাহৰ লাম টানিছিল , আৰু ৰাহমানত থকা মীম টানিছিল , এইদৰে ৰাহীমত থকা হা টানি পঢ়িছিল।

http://www.sunnah.global/hadeeth/as/show/65245